# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১৪ মে তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যদি তেওঁলোকে গম পালেহেঁতেন যে মোৰ মাজত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰেমাগ্নি জ্বলি আছে আৰু সেয়া তেওঁলোকৰ মাজৰও লাখৰও লাখৰ ভিতৰত এজনৰও (হৃদয়ত)নাই তেন্তে তেওঁলোকে অনতিপলমেই আহি আহমদী সকলৰ শ্ৰীচৰণত শৰণ ললেহেঁতেন। গতিকে মনত ৰাখিবা যে এই সকল বিৰুদ্ধবাদী তোমালোকৰেই ভাই আৰু তেওঁলোকে এটা ভ্ৰান্তিত আক্ৰান্ত হৈ আছে;তোমালোকে অসন্তুষ্ট হোৱাৰ সলনি তেওঁলোকৰ নিমিত্তে দোৱা কৰি থাকা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে কিছুদিন আগত এজন মৌলবী চাহাবে ছোচিয়েল মিডিয়াৰ আগত কৈছিল যে পেলেষ্টাইনৰ ওচৰে-পাজৰে থকা ঠাই বিলাকৰ যতেই কাজিয়া বিবাদ চলি আছে তাৰ একমাত্ৰ মূল কাৰণ হ'ল কাদিয়ানী সকল। গতিকে এওঁলোকক মাৰ-পিট কৰা,হত্যা কৰাটো সকলো ফালেৰে জায়েজ (বৈধ) হয়। আহমদীয়তৰ আৰম্ভণীৰে পৰাই এতিয়ালৈকে কাফিৰ নেতা সকলৰ এয়াই নিয়ম চলি আছে। কিন্তু খোদা তা'লাৰ লাখ লাখ প্ৰশংসা এয়া যে আমি সেই জন মছীহ আৰু মাহদীৰ মান্যকাৰী,যিজনে আমাক এই সকলোবোৰ অত্যাচাৰী কাৰু-কাৰ্যৰ হেঁচাত পৰি থকা সত্বেও ধৈৰ্য আৰু দোৱাৰ মাজেৰে কাম কৰিবলৈ শিক্ষা দিছে। যেনেকৈ মই ঈদৰ খোতবাত হজৰত মছীহ মাওউদ (আঃ)ৰ উদ্ধৃতি উল্লেখ কৰি কৈছিলো যে তেখেত (আঃ)য়ে কৈছে শত্ৰুৰ বাবেও দোৱা কৰিবা। এই ধৰণৰ বিৰোধীতা হজৰত মছীহ মাওউদ (আঃ)ৰ সময়ৰ পৰাই চলি আহিছে। তেখেত (আঃ)ৰ ওপৰতও আক্ৰমণ চলোৱা হৈছিল,তেখেত (আঃ)ৰ কথা শুনিবলৈ আৰু জলছালৈ আহিবলৈ লোকক বাধা দিয়া হৈছিল। কিন্তু এই সকলোবোৰ অনাচাৰ কৰা সত্বেও হুজুৰ (আঃ)য়ে সেই অত্যাচাৰী সকলৰ বাবেও দোৱা কৰিছিল। এয়া দোৱাৰেই ফল আছিল যে সেই বিৰুদ্ধবাদী সকলৰ পৰাই কিছুমান বিৰোধী লোকে এখেত (আঃ)ৰ সততাত বিশ্বাসী হৈ জমাতৰ অন্তৰ্ভুক্ত হৈছে আৰু এতিয়ালৈকেও হৈ আছে। গতিকে মুছলিম নেতৃবৃন্দৰ কাৰণে আমি তেওঁলোকৰ ৰুক্ষ কথা শুনাৰ পিছতও দোৱা কৰোঁ। তেওঁলোকৰ দুঃখ কষ্টত আমি কষ্ট অনুভৱ কৰো কাৰণ এয়াই হ'ল হজৰত মছীহ মাওউদ (আঃ)ৰ শিক্ষা। খোদা তা'লাও হজৰত মছীহ মাওউদ (আঃ)ক এয়াই কৈছিল যে তেওঁলোকৰ এই জুলুম অত্যাচাৰ ভুল ধাৰণাৰ মূলতে আছে ৰছুলে পাক (ছাঃ)ৰ প্ৰতি থকা ভালপোৱা,সেয়ে তেওঁলোকৰ বাবে দোৱা কৰিব লাগিব,অভিশাপ দিব

নালাগে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই তেতিয়া সৰু আছিলো,লাহোৰৰ পৰা হজৰত মছীহ মাওউদ (আঃ)য়ে কোনো এটা নিমন্ত্ৰণৰ পৰা উভতি আহি আছিল মইয়ো তেখেত (আঃ)ৰ লগত আছিলো,তেতিয়া মানুহে বাটতে তেখেত (আঃ)ক গালি পাৰিছিল। এজন বৃদ্ধ হাত কটা ব্যক্তি এজনে  নিজৰ সুস্থ হাতখন কটা হাতৰ কাযলতিত লগাই শব্দ কৰি কৈছিল-মিৰ্জা পলাই গ'ল,মিৰ্জা পলাই গ'ল। এনেদৰে লাহোৰৰ চহৰতেই হজৰত মছীহ মাওউদ (আঃ)ৰ ওপৰত আক্ৰমণ হৈছিল, শিলগুটি নিক্ষেপ কৰি আছিল। সৰ্ব সাধাৰণ  ৰাইজৰ শত্ৰুতা আৰু বিৰোধীতাৰ মূল:তে আছিল আঁ-হজৰত (ছঃ)ৰ প্ৰতি থকা আন্তৰিক আকৰ্ষণ আৰু ভালপোৱাৰ ব্যাকুলতা। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যদি তেওঁলোকে গম পালেহেঁতেন যে মোৰ অন্তৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰেমাগ্নি অবিৰত জ্বলি আছে আৰু সেয়া তেওঁলোকৰ মাজৰ লাখৰও লাখৰ ভিতৰত এজনৰও (হৃদয়ত) নাই, তেন্তে তেওঁলোকে অনতিপলমেই আহি আহমদী সকলৰ শ্ৰীচৰণত শৰণ ললেহেঁতেন। গতিকে মনত ৰাখিবা যে এই সকল বিৰুদ্ধবাদী তোমালোকৰেই ভাই আৰু তেওঁলোকে এটা ভ্ৰান্তিত আক্ৰান্ত হৈ আছে। তোমালোকে অসন্তুষ্ট হোৱাৰ সলনি তেওঁলোকৰ নিমিত্তে দোৱা কৰি থাকা।

হজৰত মৌলবী আব্দুল কৰিম চাহাব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত মছীহ মাওউদ (আঃ)য়ে ঘৰৰ তলৰ খলপাত (মঞ্জিলত) থকা কৰিছিল আৰু মই থাকিছিলোঁ ওপৰ তলাত অৰ্থাৎ এক মহলাৰ ওপৰত। এদিন ৰাতি হুজুৰ (আঃ)য়ে কান্দি থকাৰ এনেকুৱা শব্দ শুনা গৈ আছিল যে যেনিবা কোনো মহিলায় প্ৰসৱ বেদনাত কান্দি আছে। মই তেতিয়া কাণ পাতি শুনিবলৈ লৈছিলো, আৰু শুনিছিলো হুজুৰ (আঃ)য়ে দোৱা কৰি আছে যে হে খোদা! প্লেগ বিয়পি পৰিছে যাৰ ফলত মানুহ মৰি আছে,যদি সকলো মানুহেই মৃত্যু বৰণ কৰে তেন্তে তোমাৰ ওপৰত কোনে বিশ্বাস স্থাপন কৰিব। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কয় যে এতিয়া চোৱা! প্লেগ সেই নিদৰ্শন আছিল যিটো তেখেত (আঃ)ৰ সত্যতাৰ প্ৰমাণ হিচাপে প্ৰকাশ পাইছিল; তথাপি তেখেত (আঃ)য়ে খোদাৰ আগত কৰুণ কাতৰতাৰে কান্দি কান্দি মানুহৰ ৰক্ষাৰ বাবে দোৱা কৰিছে। গতিকে মোমিন সকলে সাধাৰণ লোকৰ বাবে শাও-শপনি কৰা উচিত নহয়। মুঠতে মছীহ মাওউদ (আঃ)ক আল্লাহ তা'লাই ইলহামান কৈছে যে,

**আয়ে দিল তু তেজ খাতিৰ ইনানে নিগাদাৰ**

**কা খৰকুননদ দাওৱে হুববে পেম্বৰম (ছাঃ)**

অৰ্থাৎ উক্ত কবিতাৰ পংঙতি ফাকিত আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ক উদ্দেশ্য কৰি তেখেত (আঃ)ৰ মূখেৰেই উদৃত কৰোৱাইছে- হে মোৰ কলিজা ! তুমি সিহঁতৰ ভাবাৱেশ আৰু আবেগ অনুভূতি লৈ লক্ষ্য ৰাখিছা যাতে সিহঁতৰ অন্তৰ (মন) কুলষিত হৈ নাযায়। এয়া যেন  নহয় যে তুমি বেজাৰতে সিহঁতক অভিশাপ দিবলৈ লোৱা। যিয়েই নহওঁক তেওঁলোকে তোমাৰ ৰছুল (ছাঃ)ক ভাল পায় আৰু সেই কাৰণেই (বুজিব নোৱাৰি) সিহঁতে তোমাক গালি-শপনি দিয়ে। এয়াই হ'ল আচল বিষয়, আমি জানো যে তোমাৰ বিৰুদ্ধবাদী সকলৰ মাজৰ এটা অংশই অন্যায় ভাৱে বিৰুদ্ধাচৰণ কৰি আছে,কিন্তু পাকিস্তান আৰু পৃথিৱীৰ অন্যান্য দেশ বোৰতও এটা অংশই অৱশ্যে এই বিৰুদ্ধবাদী সকলৰ জালত পৰি বিৰুদ্ধাচৰণ কৰি আছে। সিহঁতৰ এই বিৰোধীতাৰ কাৰণ হ'ল যে তেওঁলোকে ৰছুলে কৰিম (ছাঃ)ক ভাল পায়। যেতিয়া তেওঁলোকে আচল কথাখিনি বুজি পাব যে আমিও ৰছুলে পাক (ছাঃ)ৰ প্ৰেমিক তেতিয়া তেওঁলোকেই ক'ব যে সিহঁতক সহায় কৰিব লাগিব। এই দিন এদিন নিশ্চয় আহিব আৰু এই বিৰোধীতাৰ ইনশা আল্লাহ অন্ত পৰিব।

যদি এই মৌলবী সকলে আমাৰ বিৰুদ্ধে কথা কৈ আছে তেন্তে আমাৰ বাবেই লাভজনক কাম কৰি আছে

কাৰণ যিটো গ্ৰুপলৈ আমাৰ ফালৰ পৰা পয়গাম (বাৰ্তা) পঠোৱা কঠিন আছিল, তেওঁলোকলৈ এই বিৰোধী মৌলবী সকলৰ জৰিয়তে বাৰ্তা প্ৰেৰণৰ কাম সহজতে সম্পাদন হৈ আছে। আমাৰ কাম হ'ল এয়া যে ধৈৰ্য আৰু দোৱাৰ মাজেৰে আগুৱাই গৈ থাকি নিজৰ মনৰ ধাৰণা আৰু অনুভূতিক পৱিত্ৰ ৰখা। সিহঁতৰ বাবে দোৱা কৰি থাকা যে আল্লাহ তা'লা যেন অতি সোনকালে সিহঁতৰ জ্ঞানৰ দুৱাৰ মুকলি কৰি দিয়ে আৰু তেওঁলোকে যেন এই যুগৰ ইমামক চিনি ল'ব পাৰে। আমিন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ۔ عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 14 MAY 2021**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**